


শ্ৰীনিবাস ৰামানুজনৰ
এটি বিখ্যাত আবক্ষ মূৰ্তিৰ
কাষত এইবাৰৰ এগৰাকী ফিল্ডছ
মেডেল বিজয়ী মেৰিনা ভিয়াজভস্কা

১৯১৮ চনৰ ২ মে'ত শ্ৰীনিবাস ৰামানুজন ৰয়েল ছ'চাইটিৰ ফেল' (FRS) ৰূপে নিৰ্বাচিত হৈছিল। ৰামানুজনক ফেল' ৰূপে নিৰ্বাচনৰ শতবৰ্ষ পূৰ্তি উদযাপনৰ উদ্দেশ্যে ২০১৮ চনৰ ১৫ আৰু ১৬ অক্টোবৰত ৰয়েল ছ'চাইটিত ৰামানুজনৰ জীৱন, কৰ্মৰাজি, আৰু শেহতীয়া বিভিন্ন বিষয়ত তেওঁৰ উদ্ভাৱনৰ বিচক্ষণ প্ৰয়োগ সম্পৰ্কত এখনি কনফাৰেন্স আয়োজন কৰা হৈছিল। কনফাৰেন্সখনত আন আন বৰেণ্য গণিতজ্ঞৰ উপৰি মেৰিনা ভিয়াজভস্কায়ো এটি বক্তৃতা প্ৰদান কৰিছিল।

ৰামানুজনৰ পত্নী জানকীৰ হাতত সঞ্চিত হৈ থকা এখনি ফটোৰ আলমত আমেৰিকান ভাস্কৰ্য-শিল্পী পল গ্ৰেনলুণ্ডৰ দ্বাৰা ১৯৮৩ চনত ৰামানুজনৰ এটা ব্ৰঞ্জৰ আবক্ষ মূৰ্তি নিৰ্মাণ কৰা হৈছিল, আৰু দহটা প্ৰতিলিপি কৰা হৈছিল। তাৰে এটা নোবেল বঁটা বিজয়ী ভাৰতীয় বিজ্ঞানী সুব্ৰহ্মণ্যন চন্দ্ৰশেখৰে ১৯৯৪ চনত ৰয়েল ছ'চাইটিক প্ৰদান কৰিছিল। ৰয়েল ছ'চাইটিৰ সভাপতিৰ কাৰ্যালয় শুৱনি কৰা এই মূৰ্তিটো কনফাৰেন্সখনত প্ৰদৰ্শন কৰা হৈছিল।